## কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত-পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়

# মহাকাব্য-পুৰাকথা-আধুনিক সাহিত্য বিষয়ক আলোচনাচক্ৰ




**প্ৰতিদিন সেৱা, নলবাৰী, ২২ জুন :** কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু সাহিত্য অকাডেমীৰ সহযোগত যোৱা ১৭ জুনত মহাকাব্য আৰু পুৰাকথা আশ্ৰিত আধুনিক সাহিত্য বিষয়ক এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। বিশ্ববিদ্যালয়ৰ সভাগৃহত অনুষ্ঠিত আলোচনাচক্ৰৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰা হয়। তাৰ পিচত বিশ্ববিদ্যালয়ৰ ছাত্ৰীসকলে সংস্কৃতত 'চিৰ চেনেহী' গীতটো পৰিবেশন কৰে। মিত্ৰদেৱ মহন্তৰ দ্বাৰা ৰচিত 'চিৰ চেনেহী' গীতটোৰ সংস্কৃত অনুবাদ কৰিছে বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক দীপক কুমাৰ শৰ্মাই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান অজিত ভৰালীয়ে। সভাত আদৰণী ভাষণ দিয়ে সাহিত্য অকাডেমীৰ কাৰ্যবাহী বিষয়া মিহিৰ কুমাৰ চাহুৱে। ভাষণত তেওঁ সাহিত্য অকাডেমীৰ কাম-কাজৰ খতিয়ান দাঙি ধৰাৰ লগতে এনেধৰণৰ গুৰুত্বপূৰ্ণ বিষয়ত আলোচনাচক্ৰ আয়োজন কৰাৰ বাবে বিশ্ববিদ্যালয়ৰ শলাগ লয়। সভাখনত উদ্বোধনী ভাষণ প্ৰদান কৰে বিশিষ্ট সমালোচক, সাহিত্যিক, অধ্যাপক গোবিন্দ প্ৰসাদ শৰ্মাই। তেওঁ ভাষণত পুৰাকথাৰ ইতিহাস আৰু মহাকাব্য আশ্ৰিত আখ্যানৰ বিস্তাৰৰ প্ৰসংগ উল্লেখ কৰে। মহাকাব্য আশ্ৰিত আখ্যানসমূহ আধুনিক সাহিত্যত কিদৰে ৰূপায়িত হৈছে সেই সম্বন্ধেও আলোকপাত কৰে। আলোচনাচক্ৰত সভাধ্যক্ষ হিচাপে উপাচাৰ্য অধ্যাপক দীপক কুমাৰ শৰ্মাই কয় যে ৰামায়ণ, মহাভাৰতৰ আখ্যানসমূহক বিভিন্নধৰণে চোৱাৰ অৱকাশ আছে। উদ্বোধনী সভাত শলাগৰ শৰাই আগবঢ়ায় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা অংকুমণি দাসে। উদ্বোধনী সভাৰ পিচত দুখন আলোচনাসত্ৰ অনুষ্ঠিত হয়। আলোচনাসত্ৰসমূহ সঞ্চালনা কৰে বিশিষ্ট সমালোচক, সাহিত্যিক অধ্যাপক গোবিন্দ প্ৰসাদ শৰ্মা আৰু শংকৰী সাহিত্যৰ গৱেষক, পণ্ডিত, অধ্যাপক প্ৰদীপজ্যোতি মহন্তই। আলোচনাসত্ৰসমূহত ড° মালিনী, জ্যোতির্ময় প্ৰধানী, স্মৃতিৰেখা ভূঞা, অৰিন্দম বৰকটকী, ৰবিজিতা গগৈ, প্ৰাঞ্জল শৰ্মা বশিষ্ঠ আৰু সুব্ৰতজ্যোতি নেওগে গৱেষণাপত্ৰ পাঠ কৰে। আলোচনাসত্ৰসমূহৰ অন্তত বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা দীপশিখা গগৈয়ে শলাগৰ শৰাই আগবঢ়ায়।